*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৭ সংখ্যা, ২আহিন , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 37 , Date Of Publication - 19September 2021 Rs.5.00/-

## বিজেপিয়ে সোণোৱালক ৰাজ্যসভাৰ উপনিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে নামাকৰণ



বাৰ্ত্তাসেৱা- বিজেপিয়ে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু এল মুৰুগানক ক্ৰমে অসম আৰু মধ্য প্ৰদেশৰ ৰাজ্যসভাৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰে। অসম আৰু মধ্য প্ৰদেশৰ পৰা প্ৰতিখন ৰাজ্যসভাৰ আসনৰ উপনিৰ্বাচন ৪ অক্টোবৰত অনুষ্ঠিত হ'ব। সোণোৱাল আয়ুষ মন্ত্ৰী আৰু মুৰুগান তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী।

## ভাৰতৰ প্ৰথম সৌৰ অভিযান আদিত্য এল১ ২০২২ চনত উৎক্ষেপণৰ সম্ভাৱনা

বাৰ্ত্তাসেৱা- ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো)ৰ জ্যেষ্ঠ বিষয়াসকলৰ মতে, ২০২০ চনৰ আৰম্ভণিৰ পৰা কোভিড-১৯ মহামাৰীৰ বাবে বিলম্বিত হোৱা ভাৰতৰ প্ৰথম সৌৰ অভিযান ২০২২ চনৰ তৃতীয় তিনিমাহত উৎক্ষেপণ হোৱাৰ সম্ভাৱনা আছে। একে সময়তে দেশৰ দ্বিতীয় মহাকাশ পৰ্যৱেক্ষণালয় এক্সপোছেটৰ দৰে, যি য়ে জ্যোতিৰ্বিজ্ঞানীসকলক পালচাৰ আৰু চুপাৰনোভাৰ দৰে মহাজাগতিক উৎস অধ্যয়ন কৰাত সহায় কৰিব। এক নিৰ্দেশনাত মানৱ মহাকাশ যাত্ৰা কেন্দ্ৰৰ সঞ্চালক ড° উন্নিকৃষ্ণন নায়াৰে কয় যে সৌৰ অভিযান আদিত্য এলৰ অহা বছৰৰ তৃতীয় চতুৰ্থাংশত (২০২২) উৎক্ষেপণ কৰা হ'ব আৰু ই বিশ্ব আৰু আন



বহুতো অজ্ঞাত লোকৰ আৰম্ভণিৰ গভীৰ অন্তৰ্দৃষ্টি প্ৰকাশ কৰিব। মহাকাশযানখন পৃথিৱীৰ পৰা এল ১ লাগ্ৰাঞ্জিয়ানলৈ ১.৫ নিযুত কিলোমিটাৰ দূৰত্বত উৎক্ষেপণ কৰা হ'ব। ই হৈছে পৃথিৱী আৰু সূৰ্যৰ মাজৰ এক স্থিতি য'ত উপগ্ৰহটোত দুয়োৰো মহাকৰ্ষণীয় টান উপগ্ৰহটোত কক্ষপথত ৰাখিবলৈ প্ৰয়োজনীয় কেন্দ্ৰীয় শক্তিৰ সমান। এইটো এটা ঠাইত পাৰ্কিং লটৰ দৰে য'ত আপুনি বিচলিত নোহোৱাকৈ বিভিন্ন ঘটনা দেখিব পাৰে।

## সম্পাদকীয়....

### শালিনতা বনাম আধুনিক মানসিকতা

নাৰী নিৰ্যাতনত তৃতীয় স্থানত অসম। খবৰটো পাই গাৰ নোম শিয়ৰি উঠিছে। আমাৰ ৰূপহী অসমখনৰ হৈছে কি? যিখন অসমক লৈ সুধাকণ্ঠৰ কণ্ঠত সৃষ্টি হৈছিল "অসম আমাৰ ৰূপহী গুণৰো নাই শেষ ভাৰতৰে পূৰ্ব দিশত সূৰ্য উঠা দেশ"ৰ দৰে কালজয়ী গীত। অসম যাৰ সংস্কৃতিয়ে ঠাই পাই বিশ্বদৰবাৰত। মেখেলা-চাদৰযোৰে মুগ্ধ কৰে সকলো অনা অসমীয়াক, তেনেকুৱা এখন অসমত হাফপেণ্ট পিন্ধি শিক্ষানুস্থানলৈ যোৱা ঘটনাটোৱে আমাৰ গোটেই সংস্কৃতিটোকে অপমান কৰা হোৱা নাই নে বাৰু? শিক্ষানুস্থানৰ দৰে এটা পবিত্ৰ অনুস্থানত যাক মন্দিৰ বুলি ক'লেও ভুল কোৱা ন'হ'ব, তেনেকুৱা এখন পবিত্ৰ স্থানত হাফপেণ্ট পিন্ধি এগৰাকী ছোৱালী য়ে পৰীক্ষা দিবলৈ অহা কথাটো বাৰু কিমান গ্ৰহণযোগ্য। মোৰ দৃষ্টিভংগীত ইয়াৰ গ্ৰহণযোগ্যতা ১ দেখা পোৱা নাই। তেওঁলোকে হয়তো মোক প্ৰশ্ন উত্থাপন কৰিব পাৰে, আমি যি পিন্ধো আমাৰ ইচ্ছা বুলি। কিন্তু ইচ্ছা থাকিলেই সকলো নহয়। কিয় জানেনে? পোছাক সদায় স্থান, কাল, ভেদে পৰিধান কৰিব লাগে। দিনক দিনে আমাৰ মহিলাসকল ইমানেই নিৰ্যাতনৰ বলি হৈ থকা দেখা গৈছে, তাতে যদি আমি আমাৰ পোছাকযোৰ পিন্ধাত অলপ সজাগ নহওঁ, তেনেহ'লে নিৰ্যাতনৰ বিৰুদ্ধে আমি মাত মাতিম কেনেকৈ? প্ৰথমে আমি নিজেই থিক হ'ব লাগিব। এইক্ষেত্ৰত মই আমাৰ একাংশ অভিভাৱকক কৰযোৰে অনুৰোধ কৰো যে আপোনালোকে আপোনালোকৰ সন্তানক পোছাকৰ শালিনতাৰ বিষয়ে জ্ঞান দিয়ক। আজিকালি সকলোৱে পিন্ধে বুলি সন্তানক লাই নিদিব। যিখন সমাজত নাৰীয়ে দীঘল ওৰণি লোৱা বা গাভৰু হ'লেই মেখেলা-চাদৰ পিন্ধিব লাগিব বুলি নিয়ম আছিল। একবিংশ শতিকাততো এনে বাধ্য বাধকতাও নাই। সকলো পিন্ধক কিন্তু শালিনতা বজাই স্থান, কাল, পৰিস্থিতি চাইহে পিন্ধিব লাগিব। দেহৰ আধা অংশ উলিয়াই পিন্ধা পোছাকযোৰ বৰ্জন কৰক। এনে কৰিলে কিজানি দিনক দিনে বাঢ়ি অহা নাৰী নিৰ্যাতন অলপ হ'লেও কমেই কিজানি।অন্যথা নিৰ্যাতন হোৱাৰ পিছত চিএঁৰ-বাখৰ কৰি, টি.ভি, পেপাৰত লিখি থাকিলেই ই বন্ধ নহয়। ইয়াৰ বাবে আমি অভিভাৱক সকলেহে আগভাগ ল'ব লাগিব। মই এই সুযোগতে উক্ত পৰীক্ষকজনৰ শলাগ নলৈ নোৱাৰিলো যিজনে হাফপেণ্ট পিন্ধি অহাৰ বাবে প্ৰথমে ছাত্ৰীগৰাকীক পৰীক্ষাত বহিবলৈ দিবলৈ অমান্তি হৈছিল যদিও পিছত আবুৰতাৰে সৈতে পৰীক্ষা দিবলৈ সন্মতি প্ৰদান কৰে, যাৰ জড়িয়তে তেওঁ সমাজখনলৈ এক সুন্দৰ তথা ধনাত্মক বাৰ্তা প্ৰেৰন কৰে। আজি তেখেতে আমাৰ একাংশ অভিভাৱকক আৰ্দশ দেখুৱালে। অন্ততঃ এতিয়াৰ পৰা আমাৰ একাংশ অভিভাৱক কে স্থান চাই পোছাকযোৰ কি পিন্ধিব লাগে বুলি দহ বাৰ চিন্তা কৰিব বুলি মোৰ বিশ্বাস।শেষত এইটোৱে ক'ব বিচাৰোঁ যে সোতঁ যি ফালে বৈ যায় সেইফালেই বলি গুছি নাযাব। অন্যথা বিপদ কোনটো সুৰুঙাই দি আহি সপোনৰ ঘৰখন থানবান কৰি থৈ যাব ধৰিবই নোৱাৰিব।

# সোমবাৰৰ পৰা স্কুলত আৰম্ভ হ'ব দশম শ্ৰেণীৰ পাঠদান



বাৰ্তাসেৱা — কৰোনা সংক্ৰমণৰ ঘটনা ক্ৰমে কম হ'বলৈ ধৰিছে অসমত। ইয়াৰ লগে লগে ক্ৰমাৎ উন্নত হ'বলৈ ধৰা কভিড পৰিস্থিতি বাবে অসমত ৰাজ্য চৰকাৰে আৰম্ভ কৰিছে 'আনলক স্কুল' প্ৰক্ৰিয়া। স্বাস্থ্য বিভাগে দাখিল কৰা প্ৰতিবেদন মৰ্মে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকে এই সন্দৰ্ভত অনুমতি প্ৰদান কৰে। কেবিনেট বৈঠকৰ অন্তত এখন সংবাদ মেলযোগে অহা ২০ ছেপ্টেম্বৰ অৰ্থাৎ সোমবাৰৰ পৰা ৰাজ্যৰ চৰকাৰী-বেচৰকাৰী হাইস্কুল, হাইমাদ্ৰাছা, আৱাসিক বিদ্যালয় আৰু দিবা ব'ৰ্ডিং শিক্ষানুষ্ঠানত দশম শ্ৰেণীৰ পাঠদান আৰম্ভ হ'ব বুলি সদৰী কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় ক'ভিড পৰিস্থিতি শাম কটাৰ লগে লগে স্নাতক-স্নাতকোত্তৰৰ চূড়ান্ত ষাণ্মাসিক আৰু দ্বাদশ শ্ৰেণীৰ পাঠদান আৰম্ভ কৰিছিলোঁ। এই কেবিনেটতেই স্বাস্থ্য বিভাগে অসমৰ ক'ভিড পৰিস্থিতি উন্নত হোৱা সম্পৰ্কত প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে কেবিনেটে অহা ২০ ছেপ্টেম্বৰৰ পৰা দশম শ্ৰেণীৰ পাঠদান আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰতিটো শ্ৰেণীকোঠাত ৩০ জনকৈ শিক্ষাৰ্থীক লৈ পাঠদান পৰ্ব আৰম্ভ হ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। যদিহে অতিৰিক্ত ছাত্ৰ-ছাত্ৰী থাকে, তেন্তে সংশ্লিষ্ট বিদ্যালয়সমূহে 'ছেকচন'ৰ ব্যৱস্থা কৰিব লাগিব বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে শিক্ষানুষ্ঠান খোলাৰ আগতে প্ৰয়োজনীয় ছেনিটাইজেচন, পৰিষ্কৰণ আদি গোটেইখিনি ব্যৱস্থা আৰম্ভ কৰাৰ বাবে মই সকলো বিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনাইছোঁ। আমি এসপ্তাহ বা ১০ দিন পৰ্যবেক্ষণ কৰি পৰ্যায়ক্ৰমে বিদ্যালয়সমূহত পাঠদান আৰম্ভ কৰাৰ দিশে গতি কৰিছোঁ। ইয়াৰ বাবে সকলো অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী প্ৰস্তুত হৈ থাকক। এতিয়ালৈকে স্নাতক-স্নাতকোত্তৰৰ চূড়ান্ত ষাণ্মাসিক আৰু দ্বাদশ শ্ৰেণীৰ যথেষ্টখিনি ছাত্ৰ-ছাত্ৰী শিক্ষানুষ্ঠানলৈ আহি পাঠগ্ৰহণ কৰিছে। কৰো পৰা কোনোধৰণৰ অনাকাংক্ষিত পৰিস্থিতিৰ প্ৰতিবেদন আমালৈ অহা নাই। তাৰ পৰিপ্ৰেক্ষিততে আমি দশম শ্ৰেণীতো পাঠদান আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত বাকী শ্ৰেণীসমূহতো পৰ্যায়ক্ৰমে পাঠদান আৰম্ভ কৰাৰ বাবে শিক্ষা বিভাগে সিদ্ধান্ত ল'ব

# নৰেন্দ্ৰ মোদীৰ জন্মদিনত প্ৰায় ১০ ঘণ্টাত ২ কোটিতকৈও অধিক টিকাকৰণ কৰি অভিলেখ



বাৰ্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনত প্ৰায় ১০ ঘণ্টাত ২ কোটিতকৈও অধিক পালি প্ৰদান কৰি ভাৰতে পূৰ্বৰ একদিনীয়া কোভিড-১৯ টিকাকৰণৰ ১.৩৩ কোটি পালিৰ অভিলেখ ভংগ কৰিছে। স্বাস্থ্য মন্ত্ৰী মনসুখ মাণ্ডৱিয়াই কয়, "মই বিশ্বাস কৰোঁ যে আমি টিকাকৰণৰ এক নতুন অভিলেখ গঢ়িম আৰু প্ৰধানমন্ত্ৰীক উপহাৰ হিচাপে দিম।"

# পৃথক বড়োলেণ্ড দাবীৰে বড়োভূমিত পুনৰ জন্ম হ'ল আন এটা উগ্ৰপন্থী সংগঠনৰ দল (ULB)



অমৰজিৎ ৰাভা, ওদালগুৰি, বাৰ্তাসেৱা— যোৱা ১৫ ছেপ্টেম্বৰ তাৰিখে বড়ো ভূমিত পুনৰ জন্ম হ'ল আন এটা অস্ত্ৰধাৰী সংগ্ৰামী দল (ULB)। বড়ো ঐতিহাসিক শান্তি চুক্তিৰ দুটা বছৰ সম্পূৰ্ণ নহওঁতেইবড়ো ভূমিত পুনৰ জন্ম হল ইউনাইটেড লিবাৰেছন ফৰ বড়োলেণ্ড (ULB) উগ্ৰপন্থী সংগঠন। যোৱা ২০২০ চনৰ ২৭ জানুৱাৰী তাৰিখে বড়ো জনগোষ্ঠীৰ দাবী সম্পূৰ্ণ কৰি NDFB উগ্ৰপন্থী সংগঠনক মূল সতিলৈ ঘূৰাই আনি অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ সহযোগত এবছুয়ে বিটিআৰ চুক্তি সাক্ষৰ কৰিছিল। কিন্তু চুক্তিখন দুটা বছৰ সম্পূৰ্ণ নহওতেই বড়ো যুৱক যুৱতী সকল পুনৰ ওলাই গ'ল ঘন অৰণ্যলৈ। উল্লেখ্য যে যোৱা ২০২০ চনৰ ২৭ জানুৱাৰীত হোৱা বিটিআৰ চুক্তিখন বৰ্তমানলৈ ভালদৰে ৰূপায়ণ হ'ব পৰা নাই, আৰু যিখন চুক্তিত বড়ো জনগোষ্ঠী সম্পূৰ্ণ ভাৱে সুৰক্ষিত নহয় বুলি দাবী জনায় নৰ গঠিত ULB সংগঠনটোৱে আৰু লগতে বড়োভূমিত বিটিআৰ চুক্তি সাক্ষৰ কৰি বড়োজনগণক প্ৰভোলিত কৰা হ'ল ইয়াত আমি সুৰক্ষিত নহয় যাৰ বাবে বড়ো যুৱক যুৱতী কেতিয়াও শান্ত নহয়। আৰু যেতিয়ালৈ অসম বিভক্ত কৰি পৃথক বড়োলেণ্ড কৰা নহয় তেতিয়ালৈ বড়ো সকলৰ আন্দোলন অব্যাহত থাকিব যাৰ বাবে আমি পুনৰ অস্ত্ৰ ধৰি ইউনাইটেড লিবাৰেচন ফৰ বড়োলেণ্ড ULB সহস্ত্ৰ সংগ্ৰামী দল গঠন কৰিব লগা হল বুলি চুচেইল মেডিআ যোগে ULB উগ্ৰপন্থী সংগঠনে আত্ম প্ৰকাশ কৰে।

# ভেৰগাঁও জিলা আৰ্চাৰী সন্থাৰ উদ্যোগত আৰ্চাৰী খেল প্ৰতিযোগিতা



অমৰজিৎ ৰাভা, ওদালগুৰি, বাৰ্তাসেৱা- ১৭ ছেপ্টেম্বৰ শুক্ৰবাৰে ৰাজ্যৰ প্ৰতিটো প্ৰান্তত অনুষ্টুপীয়াকৈ পালন কৰা হৈছে বিশ্বকৰ্মা পূজা। সেয়ে বিশ্বকৰ্মা পূজাৰ লগত সংগতি ৰাখি ভেৰগাঁও জিলা আৰ্চাৰী সন্থাৰ উদ্যোগত ভেৰগাঁও জিলা চাৰিটা শাখ ভেৰগাঁও, খৈৰাবাৰী, খাগ্ৰাবাৰী আৰু ডিমাকুচিত আৰ্চাৰী খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰায় দুই শতাধিক খেলুৱৈ আৰ্চাৰী খেলত অনুৰ্ধ ১৪, ১৭, ১৯ বছৰীয়া খেলুৱৈয়ে অংশগ্ৰহণ কৰা খেল প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় আৰু অন্তৰাষ্ট্ৰীয় খেলুৱৈ সকলোকো উপস্থিত থকা দেখা যায় আনহাতে ভেৰগাঁও জিলা আৰ্চাৰী সন্থাৰ সম্পাদক এল.পি সিং সহ তেজপুৰ উনিত SSB আৰ্চাৰী প্ৰশিক্ষক চন্দন সিং উপস্থিত থকা উক্ত অনষ্ঠানটিত ভেৰগাঁও জিলা আৰ্চাৰী সন্থাৰ সভাপতি তথা প্ৰাক্তন EM লৌমশ্ৰাউ দৈমাৰী মন্তব্য কৰে যে খেলৰ জৰিয়তে দেশৰ ঐক্য শান্তি আৰু প্ৰগতি আহে। যাৰ বাবে ভেৰগাঁও জিলা আৰ্চাৰী সন্থাই প্ৰতিবছৰে বিশ্ব খনিকৰ বিশ্ব কৰ্মা পূজাৰ দিনাই আৰ্চাৰী খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰি অহা হৈছে।

# সৌন্দৰ্যৰে ভৰপূৰ ত্ৰিকূট পাহাৰৰ বৈষ্ণোদেৱী

গোপাল জালান

প্ৰতিগৰাকী হিন্দু ধৰ্মাৱলম্বী লোকৰেই বৈষ্ণোদেৱী মন্দিৰ দৰ্শন কৰাৰ হেঁপাহ থাকে। এই মন্দিৰটো দৰ্শন নকৰিলে যেন জীৱনটো আধৰুৱা। বৈষ্ণোদেৱী মন্দিৰ এবাৰ দৰ্শন কৰিব পৰাটো সকলোৱে পৰম সৌভাগ্য বুলি গণ্য কৰে। পিছে যিয়ে এবাৰ দৰ্শন কৰে তেওঁ বছৰি এবাৰ হ'লেও দেৱী দৰ্শনৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। এয়া যেন দেৱীৰেই কৃপা। তেনে এক মনোভাবেৰেই প্ৰতিবছৰে বৈষ্ণোদেৱীৰ দৰ্শনৰ বাবে ওলাওঁ। বিগত বৰ্ষত কৰোনা অতিমাৰীৰ ত্ৰাসৰ বাবে বৈষ্ণোদেৱীলৈ যোৱা নহ'ল। দুজন বন্ধুৰ স'তে সিদিনা উৰাজাহাজেৰে দিল্লীলৈ যাত্ৰা কৰিলো। বন্ধু দেৱজিৎ গোস্বামী আৰু পীয়ুষ আগৰৱালাৰ স'তে প্ৰথমে দিল্লীলৈ উৰা মাৰিলো। তিনিও বন্ধু একেলগে যোৱা বাবে কেতিয়া দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰত পদাৰ্পণ কৰিলো গমেই নাপালো। অসমৰ পৰা পোনপটীয়াকৈ বৈষ্ণোদেৱীলৈ যোৱাৰ সুবিধা বৰ্তমানলৈকে উপলব্ধ হোৱা নাই। সেইবাবে দিল্লীলৈ যোৱাৰ পাছতহে যাত্ৰা সম্ভৱ। দিল্লীৰ পৰা জম্মু হৈ কাত্ৰালৈ দৈনিক শ্ৰীশক্তি এক্সপ্ৰেছ ৰে'লখন চলাচল কৰাৰে পৰা যাত্ৰীসকলৰ সুবিধা হৈছে। আমি তিনিওজনে ৬ এপ্ৰিল, ২০২১ৰ আবেলি ৫.৩০ বজাত ৰে'লত উঠিলো। পিছদিনা পুৱা গন্তব্যস্থানত উপস্থিত হলো। কাত্ৰা ষ্টেচনৰ পৰাই বৈষ্ণোদেৱী মন্দিৰটো দেখা পোৱা যায়। অতি মনোমুগ্ধকৰ পৰিৱেশ। কাত্ৰা ষ্টেচনত উপস্থিত হোৱাৰ পাছতে মনত আনন্দ লাগে। যিকোনো সৌন্দৰ্যপিপাসু লোকৰ বাবে এনে ঠাই আনন্দ সৃষ্টিৰ উৎস হ'ব পাৰে। পূৰ্বতে আমি বুক কৰি থোৱা হোটেলৰ পৰা অহা গাড়ীয়ে ষ্টেচনৰ পৰা আমাক লৈ গ'ল। হোটেললৈ গৈ ভালদৰে গা-পা ধুই হেলিপেডলৈ ওলালো।

বৈষ্ণোদেৱী মন্দিৰ দৰ্শন কৰিবলৈ হেলিকপ্টাৰেৰে যোৱাৰো ব্যৱস্থা আছে। অৱশ্যে ইয়াৰ বাবে আগতীয়াকৈ টিকট বুক কৰিব লাগে। কিছুমানে খোজ কাঢ়িও পাহাৰ বগায়। তলৰ পৰা উঠিবলৈ ঘোঁৰা আৰু পাল্কিৰ ব্যৱস্থাও আছে। আমি পুৱা আঠ বজাত হেলিপেডত উপস্থিত হলো। ন বজাত হেলিকপ্টাৰৰ সময়। গতিকে এঘণ্টা সময় হেলিপেডত বহিলো। বেছ সুন্দৰ ঠাই। দেশ-বিদেশৰ যাত্ৰীৰে ভৰি আছে হেলিপেড। কেইগৰাকীমান যাত্ৰীৰ লগত কথা-বতৰা হলো। প্ৰায়সংখ্যক যাত্ৰীয়ে প্ৰথমবাৰৰ বাবে বৈষ্ণোদেৱী মন্দিৰলৈ আহিছে। এই মন্দিৰটো এতিয়া পৰ্যটনস্থলীলৈ



পৰিৱৰ্তন হৈছে। আগৰ কেইবাৰ যাওঁতে হেলিপেডত সিমান নিয়ম নাছিল যদিও এইবাৰ ক'ৰোনা অতিমাৰীৰ বাবে বিশেষ নিয়ম বান্ধি দিছে সংশ্লিষ্ট কৰ্তৃপক্ষই। সেই অনুসৰি আমি তিনিওজনে পি পি কীট, মাস্ক আদি পৰিধান কৰি হেলিকপ্টাৰত উঠিলো। মাত্ৰ চাৰি মিনিটতে পাহাৰৰ ওপৰলৈ যাব পাৰি। পাহাৰৰ তলৰ পৰা খোজ কাঢ়ি গ'লে ১৩ কিলোমিটাৰ পথ অতিক্ৰম কৰিব লাগে। পাহাৰৰ ওপৰত থকা হেলিপেডত উপস্থিত হোৱাৰ পাছত মনটো এনেকুৱা লাগিল যেন স্বৰ্গপুৰীত হে আছো। ইমান সৌন্দৰ্য...। পৃথিৱীৰ গোটেই সৌন্দৰ্যখিনি যেন প্ৰকৃতিদেৱীয়ে তাতেই থুপ খুৱাইছে। হেলিকপ্টাৰত অহা-যোৱা কৰিবলৈ আঠ মিনিটত ভৰিব লাগে ৩, ৪৬০ টকা। হেলিপেডৰ পৰা বৈষ্ণোদেৱীৰ মন্দিৰলৈ তিনি কিলোমিটাৰ খোজ কাঢ়িব লাগে। অৱশ্যে ঘোঁৰাৰেও যাব পাৰি। ঘোঁৰাৰে গ'লে চাৰিশ টকাকৈ লাগে। ঘোঁৰাত উঠাৰো আনন্দ বেলেগ। কাৰণ পাহাৰীয়া ঠাইত ঘোঁৰাত উঠিলে পিছলি পৰাৰো সমানেই আশংকা থাকে। অৱশ্যে এই ঠাইবোৰত ঘোঁৰাচালকসকলো সমানেই পাকৈত। তেওঁলোকে ব্যৱসায়িক ভিত্তিত এইবোৰ ব্যৱহাৰ কৰে বাবে যাত্ৰীসকলৰ স'তে সুন্দৰ ব্যৱহাৰ কৰে। ঘোঁৰাচালকৰ পৰা ঠাইখনৰ বিষয়ে বহুতো জানিব পাৰিলো। তিনি কিলোমিটাৰ পথ ঘোঁৰাৰে অতিক্ৰম কৰাৰ পাছত মন্দিৰত উপস্থিত হ'লো। পূৰ্বৰ তুলনাত এইবাৰ যাত্ৰীৰ সংখ্যা কম। ক'ভিডৰ বাবে বহুতো যাত্ৰীয়ে মন্দিৰ দৰ্শন কৰিবলৈ অহা নাই বুলি ক'লে ঘোঁৰাচালকজনে। তেওঁ পুনৰ ক'লে যে বিগত বৰ্ষত তলাবন্ধৰ হেতু ঘোঁৰাচালকসকল আৰ্থিকভাৱে জুৰুলা হৈছিল। অৱশ্যে মন্দিৰ খোলাৰ লগে লগে তেওঁলোকৰ উপাৰ্জনো স্বাভাৱিক হ'বলৈ ধৰিছে বুলি ঘোঁৰাচালকজনে ক'লে।

বৈষ্ণোদেৱী মন্দিৰত উপস্থিত হোৱাৰ পাছত দেৱী দৰ্শনৰ বাবে শাৰী পাতিলগীয়া হয়। অৱশ্যে এইবাৰ বৰ বেছি দীঘলীয়া শাৰী নাছিল। সেইবাবে দেৱী দৰ্শনৰ সময়ো বেছি পালো। আগতে প্ৰতিগৰাকী যাত্ৰীক ১০-১৫ ছেকেণ্ডমানহে দেৱীৰ সন্মুখত থিয় হ'বলৈ দিছিল। এইবাৰ ৫ মিনিটমান দেৱী পূজা

(ছয় পৃষ্ঠাত চাওক)

# মামণি বাইদেউ

শতাব্দী শৰ্মা
নগাওঁ



কোন আছিল বাৰু
যি আধালেখা দস্তাবেজৰ সৃষ্টি কৰিছিল ?
কোন আছিল বাৰু
যাৰ কপালত ডগমগীয়া ৰঙা
ফোটটোৱে শোভা বৰ্ধন কৰিছিল ?
যাৰ কেঁকোৰা চুলিৰ পৰশৰ সৌন্দৰ্যই
জীৱনৰ প্ৰতি পলে পলে অনুভৱ কৰাইছিল
সুন্দৰৰ পূজাৰীৰ!
যি নৱগ্ৰহৰ শীতলী কোলাত
নিমাতভাৱে শুই পৰিল ।
সেই সাহিত্য কাণ্ডাৰী,
মহীয়সী নাৰী,
পদ্মশ্ৰী বিজয়ী,
মানুহগৰাকী আন কোনো নহয়
তেওঁ আমাৰ অতি মৰমৰ
মামণি ৰয়ছম গোস্বামী বাইদেউ ।

# অসমীয়া সমাজ, শালিনতাবোধ আৰু হাফপেন্টৰ কাহিনী

ফখৰুদ্দিন আহমেদ

সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ ৰচনাত শালিনতা আৰু ৰুচিৰ সম্পৰ্কত অধ্যয়ন কৰাৰ সুযোগ পাইছিলো। তাতে তেখেতে উল্লেখ কৰিছিল যে বোৱাৰীয়েক বোৱে বৰজনা বা শহুৰেককে শুনাকৈ কথা কোৱা বা হাঁহি মৰা সেই সময়ত নিয়মৰ বাহিৰত আছিল। বোৱাৰী যদি সেই সকলৰ সমুখত ওলাব লাগে তেনেহ'লে দীঘলকৈ ওৰনি টানিহে আহিব লাগিছিল। অৱশ্যে এয়া হৈছে অসমৰ পৰম্পৰা আৰু সংস্কৃতিৰ অন্তৰ্গত।

সাম্প্ৰতিক সময়ৰ দৃষ্টিভংগী ওপৰোক্ত কাৰ্যক কি আখ্যা দিয়া হ'ব পাৰে সেয়া সকলোৱে অৱগত। মন কৰিবলগা কথাটো হ'ল সাম্প্ৰতিক সময়লৈ অসমীয়া সাহিত্য, সভ্যতা আৰু সংস্কৃতিৰ পৰম্পৰাত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অবদানক কোনেও প্ৰত্যাহান জনাব নোৱাৰে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া সাহিত্য, সভ্যতা আৰু সংস্কৃতিৰ জগতত একেধাৰে কবি, গল্পকাৰ, ঔপন্যাসিক, ব্যংগ লেখক, নাট্যকাৰ, আলোচনী সম্পাদক, সাহিত্য সমালোচক, আধ্যাত্মিক গ্ৰন্থ প্ৰনেতা, অসম সাহিত্য সভাৰ সভাপতি, অসমীয়া সাহিত্যৰ ত্ৰিমূৰ্তীৰ অন্যতম, ঐতিহাসিক জোনাকী আলোচনীৰ সম্পাদক, কলকাতাৰ অসমীয়া ছাত্ৰ সমাজৰ চাহ মেলৰ প্ৰতিষ্ঠাপক, অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ প্ৰতিষ্ঠাপক উদ্যোক্তা, ৰাষ্ট্ৰীয় সংগীতৰ ৰচক আৰু সাহিত্যত নবেল বঁটা প্ৰাপক বিশ্ব কবি ৰবিন্দ্ৰ নাথ ঠাকুৰৰ বংশৰ লগত বৈবাহিক সম্পৰ্কৰে সম্পৰ্কিত, অসমৰ জাতীয় সংগীতৰ ৰচক আৰু এগৰাকী অন্যতম সফল ব্যবসায়ী বুলি নিজৰ জীৱনত বাৰুকৈয়ে স্বীকৃত হৈছিল। তেখেত সকলে নিজৰ জীৱন কালত ওপৰোক্ত বিষয়বোৰ সম্পৰ্কত কৃচ্ছ সাধনাৰে সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ লগতে পৰম্পৰাগত অসমীয়া সাহিত্য, সভ্যতা আৰু সংস্কৃতিৰ ওপৰতো চোকা নজৰ ৰাখিছিল। অসমীয়া সাহিত্যত চুটি গল্পৰ জন্মদাঁতা ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ চুটি গল্প সমূহত নাৰী সমাজৰ বিভিন্ন সমস্যা আৰু অধিকাৰ সম্পৰ্কত তেখেতক সৰব হোৱা পৰিলক্ষিত হৈছিল। কিন্তু সেই নাৰী চৰিত্ৰ সমূহক শালীনতা সৰ্বস্ব কৰিহে তেখেতে ৰূপায়িত কৰিছিল।

অসমীয়া সাহিত্য, সভ্যতা আৰু সংস্কৃতিত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই নিজৰ অবদানেৰে এটি যুগৰ সৃষ্টি কৰা দিনবোৰতেই অসমীয়া সাহিত্য, সভ্যতা আৰু সংস্কৃতিত পাশ্চাত্যৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰিছিল। বিশেষকৈ অসমীয়া সাহিত্যত নতুনকৈ ৰমন্যাসবাদী ধাৰাৰ আৰম্ভ হৈছিল আৰু অসমৰ কবি, সাহিত্যিক সকলে নব ৰমন্যাসবাদী ধাৰাক নিজৰ সৃষ্টিৰে সমৃদ্ধ কৰিছিল।

অৱশ্যে এটা কথা স্বীকাৰ কৰিব লাগিব যে সেই সময়ত সমাজ ব্যৱস্থা অলপ কঠোৰ আছিল।

সাম্প্ৰতিক সময়ত অসমৰ নগৰ, চহৰবোৰত দেখা পোচাক সম্পৰ্কীত সুলভ দৃশ্যটি হৈছে যুৱক-যুৱতী সকলে টি চাৰ্ট

( চাৰি পৃষ্ঠাত চাওক)

# অসমীয়া সমাজ, শালিনতাবোধ

ফখৰুদ্দিন আহমেদ

আৰু হাফপেন্ট পিন্ধে। বিশেষভাবে জনজাতি যুৱক-যুৱতী সকলে বেছিকৈ পিন্ধে। আন কিছুমান যুৱক-যুৱতীয়ে অৱশ্যে লং পেন্টেই পিন্ধে কিন্তু উক্ত লং পেন্টটো সমুখৰ ফালে আঁঠুৰ ওপৰৰ পৰা ফটা। পুৰনা নহয় সেয়া নব্য আধুনিকতাৰ প্ৰভাৱ। উল্লেখ নকৰিলে নহয় যে কিছুমান যুৱতীয়ে প্ৰায় এনে পোচাক পিন্ধে যি পোচাকত কোনো কাৰনতে শালিনতা ৰক্ষা নহয়।

বহুত কাৰনৰ ভিতৰত পোচাক সম্পৰ্কীয় কাৰনতো ধৰ্ষনৰ দৰে জঘন্য কাণ্ড সংঘটিত হয়। পশ্চিমীয়া দেশবোৰৰ দৰে ভাৰতীয় তথা অসমীয়া সাহিত্য, সভ্যতা আৰু সংস্কৃতিয়ে এনেবোৰ পোচাক-পৰিচ্ছদত কোনো কালে অনোমোদন দিয়া নাই আৰু ভবিষ্যতে নিদিয়ে। ভাৰতীয় আৰু অসমীয়া সাহিত্য, সভ্যতা আৰু সংস্কৃতি সৰ্বতোকাল সৌজন্যতা, সৌহাৰ্দতা আৰু শালিনতাবোধৰ ওপৰত প্ৰতিষ্ঠিত হৈ আছে। মুকলিমুৰীয়া যৌনতাৰ সমৰ্থন ভাৰতীয় আৰু অসমীয়া সংস্কৃতিত নাই বুলি ক'ব পাৰি।

চলিত বৰ্ষৰ চলিত চেপ্তেম্বৰ মাহৰ ১৬ তাৰিখ বৃহস্পতিবাৰে অসমত অনুষ্ঠিত কৃষি বিভাগৰ প্ৰবেশ পৰীক্ষাৰ তেজপুৰৰ এটি পৰীক্ষা কেন্দ্ৰত এগৰাকী যুৱতী পৰীক্ষাৰ্থীক হাফপেন্ট পিন্ধি যোৱাৰ কাৰনে পৰীক্ষা কেন্দ্ৰত পৰীক্ষাত অৱতীৰ্ন হ'বলৈ প্ৰথমে অনুমতি দিব বিচৰা নাছিল কিন্তু বিতৰ্কৰ যৱনিকা পেলাই পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থাপকে এখনি পৰ্দা মেৰিয়াই ল'বলৈ ব্যৱস্থা কৰি পৰীক্ষাত অৱতীৰ্ন হ'বলৈ সুযোগ প্ৰদান কৰে। এই লৈ চ'চিয়েল মেডিয়া কালিৰ পৰা তোলপাৰ হৈ আছে। কিছুমানে এয়া পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থাপনা মহলৰ " তালিবানী প্ৰক্ৰিয়া " বুলিও মন্তব্য কৰিছে। লগতে যুৱতী গৰাকী প্ৰবেশ পৰীক্ষাত অৱতীৰ্ন হোৱাৰ প্ৰাক মুহূৰ্তত মানসিক নিৰ্যাতনৰ বলি হোৱা বুলিও বহুতে পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থাপনা মহলৰ ওপৰত আইনগত ব্যৱস্থাৰ দাবী উত্থাপন কৰিছে।

ব্যক্তিগত জীৱনত কোনো প্ৰশ্নৰ অৱতাৰনা নোহোৱা কোনো বিষয় এটি সামাজিক ব্যৱস্থাত অনুমোদিত নহ'বও পাৰে। যেনে কালিৰ পৰীক্ষা কেন্দ্ৰৰ ঘটনাটি। প্ৰকৃততে এয়া যুৱতী গৰাকীৰ দোষ নহয়, দোষটি তেওঁৰ পিতৃ মাতৃ তথা অৰু অভিভাৱকৰহে। এয়া সৌজন্যতা আৰু শালিনতাবোধৰ বিষয়। যুৱতী গৰাকীয়ে কোৱাৰ দৰে এডমিট কাৰ্ডত পোচাক পৰিচ্ছদ সম্পৰ্কত যি দৰে কোনো নিৰ্দেশনা নাই ঠিক সেই দৰে আন বহুতো প্ৰয়োজনীয় বিষয়বো নিৰ্দেশনা এডমিট কাৰ্ডখনত দিয়া হোৱা নাই। এই সকলোবোৰৰে স্পষ্ট নিৰ্দেশনা বিস্তৃত ভাবে উল্লেখ কৰিব লাগিলে সেইখন এডমিট কাৰ্ড নহৈ আন কিবাহে হ'ব গৈ। বয়সন্ধি কালৰ দোমোজাত চলি থকা বয়সৰ যুৱক উপস্থিত থকা পৰীক্ষা কেন্দ্ৰটিত কেনে ধৰনৰ পোচাক যুৱতী গৰাকীয়ে পিন্ধি যোৱা উচিত উক্ত যুৱতী গৰাকীৰ পিতৃ মাতৃয়ে জানিবলগাটো অতিকৈ আৱশ্যকীয় হোৱা উচিত আছিল। লগতে নিউজ পৰ্টেলৰ সাংবাদিক সকলৰ বাতৰিৰ ইতিবাচক তথা নেতিবাচক দিশৰ গুৰুত্বৰ বোধহীনতাৰ বাবে গুৰুত্ব নাপাবলগা বাতৰিৰ প্ৰচাৰে অসমৰ সমাজ জীৱনক বাৰুকৈয়ে ব্যতিব্যস্ত কৰি আহিছে। এই ক্ষেত্ৰতে অসম চৰকাৰে তাৎক্ষনিক ভাবে নিউজ পৰ্টেলৰ অবৈধ জগত খনিক নিয়ন্ত্ৰন কৰিব লাগে। নহ'লে অসমৰ সমাজ জীৱনক কেৱল টকা, ভিউজ, কমেন্ট আৰু শ্বেয়াৰ কাৰনেই দুৰাৰোগ্য ৰোগত অক্ৰান্ত কৰিব।

সাম্প্ৰতিক অসমত হিন্দু মুছলমান উভয় সমাজত কেৱল পোচাক পৰিচ্ছদতেই নহয় সকলো ক্ষেত্ৰতেই যুৱ উশৃংখলতাই ভয়াবহ ৰূপ ধাৰন কৰিছে। এয়া নতুনকৈ উল্লেখ কৰিবলগা কথা নহয়। এই ক্ষেত্ৰত অসম চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে কৰা ব্যৱস্থা গ্ৰহনৰ ফলাফলতেই প্ৰকাশ পাইছে। কিন্তু ধৰ্ম নিৰ্বিশেষে বয়জ্যেষ্ঠ সকলৰ মাজৰ পৰা সাহিত্য, সভ্যতা আৰু সংস্কৃতিগত দিশত অসমত এতিয়াও পৰম্পৰাগত ভাবে পোচাক পৰিচ্ছদৰ দিশত শালিনতাবোধ বাৰুকৈয়ে বৰ্তি আছে বুলি ক'ব পাৰি। হিন্দু মুছলাম সমাজত এতিয়াও বয়জ্যেষ্ঠা মহিলা সকলে দীঘলকৈ ওৰনি লোৱা দেখা পোৱা যায়।

পৰীক্ষা কেন্দ্ৰলৈ হাফপেন্ট অহাৰ কথা শালিনতাবোধৰ লগত জড়িত দিশ। কিন্তু ইয়াৰ বিপৰীতে এই কাৰ্যৰ বিৰোধীতা কৰিবলৈ গৈ এই কাৰ্যক তালিবানী ব্যৱস্থা, ইছ্লামিক পৰ্দা প্ৰথাৰ আৰম্ভনি, ব্যক্তিগত স্বাধীনতাত হস্তক্ষেপ, মানসিক নিৰ্যাতন আদি বুলি অভিহিত কৰা দিশবোৰক কোন দিশৰ লগত জড়িত বুলি আখ্যা দিব পৰা যাব বাৰু?

চ'চিয়েল মেডিয়াত যিকোনো কথাতে দৰকাৰী বা অদৰকাৰী ভাবে তালফাল লগোৱা মানুহৰ, নেতাৰ অভাৱ অসমত মুলুকত নাই। এই জাত মানুহ, নেতা বৰ সুলভ। হাফপেন্ট পিন্ধা ঘটনাৰ সম্পৰ্কত ফেচবুকত যুৱতী গৰাকীৰ সপক্ষে মন্তব্য কৰা এগৰাকী ব্যক্তিক ফেচবুকত তেওঁৰ ঘৰত তেনেকৈ কোনো যুৱতীক হাফপেন্ট পিন্ধি থাকিবলৈ দিব নে বুলি প্ৰশ্ন কৰাত তেওঁ তেনে ধৰনৰ পোচাক ঘৰত পিন্ধাত সমৰ্থন নকৰে বুলি পোনপটীয়া মন্তব্য কৰাও দেখা গৈছে। বেমাৰটো একেই। ভিউজ, কমেন্ট আৰু শ্বেয়াৰ।

সাম্প্ৰতিক সময়ত অসমৰ যুৱ সমাজ সহজ সাধ্য উপাৰ্জন মানে ইজি মানি, কৰ্মহীন জীৱন, স্মাৰ্ট ফোন আৰু পশ্চিমীয়া সভ্যতা-সংস্কৃতিৰ বাবে জীৱন উৎসৰ্গিত কৰিবলৈ সাজু। কিন্তু পৰিশ্ৰম আৰু সংগ্ৰামৰ বিনিময়ত উপাৰ্জন, সমুখত পৰি থকা উপাৰ্জনমুখী কামকাজ বোৰৰ বাবে নিজকে সাজু কৰা আৰু ভাৰত তথা অসমৰ সংস্কৃতিক উদ্ধাৰ লগতে প্ৰচাৰ কাৰ্যত নিয়োজিত কৰা মানসিকতা আজিৰ অসমৰ যুৱক যুৱতী সকলৰ মানসিকতাত নাই। লগতে পিতৃ মাতৃ তথা অভিভাৱক সকলেও অৱলম্বন কৰিব লগা দায়বদ্ধতা আৰু সাৱধানতাৰ ক্ষেত্ৰত প্ৰায়েই উদাসীনতাহে প্ৰদৰ্শন কৰে।

যৌনতা সৰ্বস্ব পশ্চিমীয়া সংস্কৃতিৰ অনুসৰন আৰু অনুকৰনে আমাৰ ভাৰতীয় তথা অসমীয়াৰ গৌৰৱোজ্জ্বল বিশ্ব বিমোহিত সংস্কৃতিলৈ এক অশনি শংকেত কঢ়িয়াই আনিছে বুলি দৃঢ়তাৰে ক'ব পাৰি।

## মুখা

প্ৰসেনজিৎ গোস্বামী



মুখা মুখাৰ আঁৰৰ মুখা  
কোন আচল কোন নকল  
মুখাৰ আঁৰত আকৌ এজন  
মুখা চিনাকিবোৰ বহু অচিনাকি  
অচিনাকি বোৰৰ মুখা চিনাকি  
চিনাকি  
মুখা মুখাৰ আঁৰৰ মুখা  
হাবাথুৰি মুখাৰ আঁৰৰ মানুহ  
বিচাৰি  
হেৰাই নিজৰ চিনাকি মুখাৰে  
মুখ ঢাকি

# মমৰ পুতলা

বন্দিতা শৰ্মা কন্দলী



দিনৰ দিনটো অলৌ-টলৌ কৈ ঘূৰি ফুৰা ৰিবুক চিএঁৰি চিএঁৰি মাতি আনি বায়েক ৰিমায়ে ৰঙীন কাগজ, ধুনীয়া ৰঙীন বিয়াৰ নিমন্ত্ৰণী পত্ৰ, পুৰণি কেলেণ্ডাৰ আদি দি ক'লে -শুনা ৰিবু, এনেকৈ ৰ'দে ৰ'দে ঘূৰি ফুৰাতকৈ আমি এই কাগজ ভাঁজ কৰি ফুল, নাও, চৰাই আদিকে সাঁজো আঁহা। ৰিবুৱে ৰঙীণ কাগজ বোৰ দেখি আচৰিত হৈ ক'লে 'বাঃ ইমান ধুনীয়া ছবি আছে এই কেলেণ্ডাৰ বোৰত!' ৰিমায়ে ক'লে -এতিয়া ছবি চাব নালাগে, মই তোমাক কাগজৰ মালা কেনেকৈ সাঁজে দেখুৱাই দিওঁ, চাই লোৱা দেই ভালকৈ। ৰঙা ৰঙৰ কাগজ এখন লৈ ৰিমাই ভাঁজ কৰি কাগজৰ মালা বনাই ৰিবুক সুধিলে, তুমি হালধীয়া ৰঙৰ এডাল মালা বনাব পাৰিবানে? ছবি চাই চাই আপোন ভোলা হৈ থকা ৰিবুৰ, ৰিমাৰ কথা কাণত সোমোৱাই নাই। ৰিবুৰ পৰা কোনো সহাঁৰি নাপাই ৰিমাই তাৰ ফালে চাই দেখে তাৰ হাত- ভৰিত গোটেই বোকা। লগে লগে ৰিমাই মাকক চিএঁৰি ক'লে- মা, ভাইটিৰ হাতে ভৰিয়ে বোকা, তোমাৰ লগতে কামত লগাই লোৱা! ৰিবুৱে যেন সেইযাৰ কথা শুনিবলৈ হে বৈ আছিল। সি দৌৰি গৈ মাকৰ কাষ পালেগৈ। মাকে গৰু দানা সিজোৱা চৌকাটো গোবৰ আৰু মাটি মিহলাই লিপি আছিল। মাটি পানীৰ লগত খেলি ভাল পোৱা ৰিবুৱে মাকে আঁতৰাই থোৱা মাটিৰ লডা এটা দেখি সেইখিনি সি ল'ব পাৰে নেকি সুধিলে। মাকে ক'লে সেইখিনি লিকটিয়া (আলতীয়া)মাটিহে, আমি প্ৰাইমেৰী বিদ্যালয়ত পঢ়ি থকা সময়ত এনে মাটিৰে আম, কণী, অমিতা, আপেল আদি সাঁজো আৰু কচুপাত, চুণ, আদিৰে ৰং সানোঁ।

মাক আৰু ভায়েকৰ কথা শুনি ৰিমাই ৰঙীন কাগজ বোৰ সামৰি থৈ তেওঁ লোকৰ ওচৰ পালেহি। ৰিমাক দেখি ৰিবুৱে ক'লে-অ' বা, মা হঁতে আগতে মাটিৰে ফল মূল সাজিছিলে! ৰিমাই ক'লে অঁ হয়। মমেৰে বনালে সকলোতকৈ বেছি ধুনীয়া হয়। একেবাৰে সঁচা-সঁচি, তুমি ধৰিবই নোৱাৰিবা জীৱন্ত নে মূৰ্তি। ৰিমাৰ কথা শুনি ৰিবুৰ চকু থৰ লাগিল। ডাঙৰ ডাঙৰ চকুৰে চাই বায়েকক ক'লে- মমেৰে বনোৱা পুতলা বোৰ ক'ত আছে নো? কোৱা চোন কোৱা। ক'ম, তুমি ভৰি হাত ধুই আঁহা। ৰিবুৱে একান্ত বাধ্য ল'ৰাৰ দৰে হাত ভৰি ধুই বায়েকৰ ওচৰত পালেহি। ৰিমাই ক'লে মমেৰে তৈয়াৰী পুতলা বোৰ মমৰ যাদুঘৰত ৰাখে। এই যাদুঘৰত ঐতিহাসিক আৰু বৰ্তমানৰ বিখ্যাত ব্যক্তি সকলৰ অবিকল প্ৰতিমূৰ্তি চাবলৈ পোৱা যায়। আমি দেখা এনে শিল্পক ভাস্কৰ্য শিল্প বা কলা বুলি কোৱা হয়।

ৰিমা বা, আমাৰ ভাৰতত এনে যাদুঘৰ আছেনে বাৰু? আছে আছে, ভাৰতবৰ্ষৰ প্ৰথম মমৰ যাদুঘৰ ২০০৫ চনৰ ২৪ ডিচেম্বৰত কন্যাকুমাৰীত মুকলি কৰে। এই যাদুঘৰ প্ৰতিষ্ঠা কৰে সুনীল কানৰ্ডলাৰ নামৰ এজন ব্যক্তিয়ে। নতুন দিল্লীত মেডাম টুছ্ মিউজিয়াম আছে। ২০১৪

(ছয় পৃষ্ঠাত চাওক)

# বিশ্বকৰ্মা পূজাৰ ইতিহাস

স্বাগতা বৰুৱা গোস্বামী

অন্য দিনৰ দৰে আজিও জুৰি বাইদেউ সাজু হৈছে অনলাইন ক্লাছ কৰিবৰ বাবে। কিন্তু আজি যেন তেওঁৰ মৰমৰ কনমানি কেইটাক অলপ কিতাপৰ বাহিৰৰ কথা কোৱাৰ মানসেৰে ক্লাছটো আৰম্ভ কৰিছে। মৰমৰ ছাত্ৰ ছাত্ৰীসকল, তোমালোকক আজি মই বৰ আচৰিত যেন লগা এটা ইতিহাসৰ বিষয়ে ক'ম। শুনিবানে? শুনিম বাইদেউ, বুলি সকলোৱে কৈ উঠিল। এতিয়া কোৱাচোন তোমালোকে চাফ-চিকুণ হৈ থাকি ভাল পোৱানে? পাওঁ বাইদেউ। আমি সদায় চাফ-চিকুণ হৈ থাকিব লাগে কাৰণ চাফ-চিকুণতা তথা পৰিস্কাৰ পৰিচ্ছনতাই হৈছে সুস্থ আৰু সবল মনৰ আধাৰ। সম্প্ৰতি গোটেই পৃথিৱীক কপাঁই তোলা অতিমাৰীৰ পৰা হাত সৰাৰ উপায় এটাই, পৰিস্কাৰ পৰিচ্ছনতা। আমাৰ দেশৰ প্ৰধানমন্ত্ৰী জনেও চাফ-চিকুণতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিয়েই ২০১৪ চনত আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীৰ সপোন বাস্তৱ কৰাৰ উদ্দেশ্যে স্বচ্ছ ভাৰত অভিযান মিছন আৰম্ভ কৰিছিল। আমি শাৰীৰিক, মানসিক, বৌদ্ধিক এই সকলো প্ৰকাৰে স্বাস্থ্যবান হৈ থাকিবলৈ হ'লে পৰিস্কাৰ হোৱাটো দৰকাৰ। এতিয়া আহো আচল



কথালৈ। আমাৰ ইতিহাসত এই পৰিষ্কাৰ পৰিচ্ছন্নতাৰ লগত সংগতি ৰাখি এভাগ পূজা কৰা হয়। তোমালোকে বাৰু জানানে? নিশ্চয় নাজানা নহয়। মই কৈছো শুনা-

১৮৩৮ চনৰ কথা, কলকাতাত থমছন প্ৰেছ বুলি এটা ডাঙৰ প্ৰেছ অছিল আৰু থমছন চাহাব আছিল সেই প্ৰেছৰ প্ৰতিস্থাপক। এই প্ৰেছটোৰ কৰ্মচাৰী সকল আছিল ভাৰতীয়।তেওঁলোকৰ কাম বন বৰ ভাল আছিল। বিট্ৰিছ সকলে আকৌ চাফ-চিকুণতাৰ ওপৰত বহুত গুৰুত্ব আৰোপ কৰিছিল। যিহেতু কে এইটো এটা ছাপাশাল গতিকে তাত চাফ-চিকুণতাৰ বৰ প্ৰয়োজন, নহ'লে প্ৰিণ্টিং বোৰ ভাল নহ'ব। সেই উদ্দেশ্যে তেওঁ ভাৰতীয় সকলক প্ৰেছটো চাফা কৰাৰ কথা কৈ থাকে কিন্তু তেওঁলোকে গুৰুত্ব নিদিয়ে। এবাৰ তেওঁ মনতে এটা কথা আলচ কৰি এজন পুৰুহিতক মাতি পঠালে। নিৰ্দিষ্ট সময়ত

(ছয় পৃষ্ঠাত চাওক)



# সৌন্দৰ্যৰে ভৰপূৰ ত্ৰিকূট পাহাৰৰ

গোপাল জালান

কৰাৰ সুযোগ পালো। মনটো খুব ভাল লাগিল। দেৱীৰ সন্মুখত থিয় হৈ থাকিলে কোনখন পৃথিৱীত আছো ধৰিবই নোৱাৰি। কিয় যাত্ৰীসকলে ১৩ কিলোমিটাৰ পথ খোজকাঢ়ি হ'লেও দেৱী দৰ্শনৰ বাবে যায় সেই কথা নোযোৱাজনে উপলব্ধি কৰিব নোৱাৰে। দেৱী দৰ্শনৰ পাছত আমি ভৈৰৱ মন্দিৰলৈ যাওঁ। বৈষ্ণোদেৱীৰ পৰা আঢ়ৈ কিলোমিটাৰ আঁতৰত অৱস্থিত এই মন্দিৰটো। মন্দিৰটোলৈ যাবলৈ 'ৰোপ ৱে'ৰ সুন্দৰ ব্যৱস্থা আছে। অৱশ্যে আমি প্ৰায় এঘণ্টা সময় অপেক্ষা কৰিবলগীয়া হ'ল। অৱশ্যে যাত্ৰীৰ মাজত থকা বাবে আমনি নালাগিল। মন্দিৰ দৰ্শন কৰি ভাল লাগিল। আগৰ কেইবাৰ এই মন্দিৰলৈ যোৱা নাছিলো। এইবাৰ বৈষ্ণোদেৱী দৰ্শনৰ বাবে গৈ এটা কথা লক্ষ্য কৰিলো যে বৃহত্তৰ অঞ্চলটো প্ৰতিবছৰেই উন্নতিৰ জখলাত দ্ৰুতগতিত বগাইছে। মন্দিৰ পৰিচালনা কৰ্তৃপক্ষৰ পৰা আৰম্ভ কৰি ইয়াৰ স'তে জড়িত সকলো কৰ্তৃপক্ষই যেন মন্দিটোৰ লগতে অঞ্চলটোক পৰ্যটনৰ অন্যতম মাত্ৰা দিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। ভৈৰৱ মন্দিৰলৈ ৰোপ ৱেত অহা-যোৱা কৰিবলৈ এশ টকা লাগে। আমি যাওঁতে ৰোপ ৱেৰে গ'লেও ওভতাৰ পথত ঘোঁৰা ব্যৱহাৰ কৰিলো। ভৈৰৱ মন্দিৰৰ পৰা হেলিপেডলৈ চাৰিশ টকা লাগে। হেলিপেডৰ পৰা হেলিকপ্টাৰেৰে নামি পুনৰ হোটেললৈ আহিলো। যিহেতু আমি প্ৰায় চাৰি বজাত হোটেল পালোহি। সেয়েহে হাতত সময় থকাৰ বাবে জম্মু দৰ্শনৰ বাবে ওলালো। কাত্ৰাৰ পৰা দিল্লীলৈকে নিশা ১১.০৫ বজাত ৰে'লখন থকাৰ বাবে আমি কিছুসময়ৰ কাৰণে জম্মু চহৰলৈ গ'লো। জম্মুতেই আহাৰ গ্ৰহণ কৰিলো। পিছদিনা পুৱা ১০.৩০ বজাত নতুন দিল্লী পালো। তাৰ পৰা ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰত উৰাজাহাজত উঠি গুৱাহাটীলৈ উভতিলো।

এইখিনিতে বৈষ্ণোদেৱী মন্দিৰলৈ যোৱাৰ পাছত বান্দৰৰ মুখামুখি হোৱা ঘটনা এটা উল্লেখ নকৰি নোৱাৰিলো। আমি দেৱী দৰ্শন কৰি প্ৰসাদ হাতত লৈ আছিলো। বাহিৰত কিছুসময় অপেক্ষা কৰাৰ পাছত ক'ৰ পৰা বান্দৰ কেইটামানে আহি আমাৰ হাতত থকা প্ৰসাদ থাপ মাৰি দিলে ততেই ধৰিব নোৱাৰিলো। আমি সকলোৱে মাথোঁ ভেবা লাগিহে চাই ৰ'লো । আমাৰ মা শ্ৰী শ্ৰী কামাখ্যা মন্দিৰত থকা বান্দৰবোৰৰ দৰেই ইয়াত উৎপাত। যদিহে যাত্ৰীসকল অলপ সাৱধান নহয় তেনেহ'লে হাতৰ পৰা বস্তু কাঢ়ি নিবই।

জম্মু ত্ৰিকূট পাহাৰত অৱস্থিত বৈষ্ণোদেৱী মন্দিৰ হ'ল ১০৮ খন মহাপীঠৰ অন্যতম। কাত্ৰাৰ পৰা এই মন্দিৰটোলৈ তিনিধৰণে যাব পাৰি। আজিকালি ৰাস্তা-ঘাট খুব উন্নত হৈছে। হেলিকপ্টাৰ ব্যৱস্থা আছে। খোজকাঢ়িও যাব পাৰি। তদুপৰি ঘোঁৰা আৰু পাল্কিৰো ব্যৱস্থা আছে। এতিয়া উধমপুৰৰ পৰা কাত্ৰালৈ ৰে'ল সংযোগ কৰাৰ ফলত যাত্ৰীসকলৰ যাতায়াত সুচল হৈছে। মন্দিৰটো অৱস্থিত ত্ৰিকূট পাহাৰটো ইমানেই সৌন্দৰ্যৰে ভৰি পৰিছে যে ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। মন্দিৰটো এটি পুৰণা গুহাৰেও দৰ্শন কৰাৰ সুবিধা আছে। বছৰৰ সকলো সময়তে এই গুহাটো খোলা নাথাকে। মন্দিৰটোৰ পৰা আঢ়ৈ কিলোমিটাৰ আঁতৰত আছে ভৈৰৱ মন্দিৰ। জনশ্ৰুতি মতে বৈষ্ণোদেৱী মন্দিৰ দৰ্শন কৰিলে এই মন্দিৰটোও দৰ্শন কৰিব লাগে। ভৈৰৱনাথ নামৰ এজন স্বাৰ্থপৰ তান্ত্ৰিকে বৈষ্ণোদেৱীক দিপলীপ ছোৱালীৰ ৰূপত থকা অৱস্থাত ত্ৰিকূট পাহাৰৰ শিখৰত আক্ৰমণ কৰিবলৈ উদ্যত হোৱাৰ সময়ত বৈষ্ণোদেৱীয়ে মহাকালীৰ ৰূপ ধৰি ভৈৰৱৰ শিৰচ্ছেদ কৰিছিল। মূৰৰ খোলা ছিটিকি গৈ যি স্থানত পৰিছিল সেই স্থান আজিও ভৈৰৱঘাটিৰূপে পৰিচিত। দেৱীয়ে জানিছিল যে ভৈৰৱে দেৱীক স্পৰ্শ কৰিব খুজিছিল কেৱল মোক্ষ লাভৰ বাবেহে। সেইবাবে দেৱীয়ে ভৈৰৱক তীৰ্থযাত্ৰীয়ে দৰ্শন কৰিব বুলি আশীৰ্বাদ দিছিল।

বৈষ্ণোদেৱী মন্দিৰ একক আৰু অনন্য। মহাপীঠৰ স্থানসমূহৰ ভিতৰত চিত্ৰকূট পাহাৰ বৈষ্ণোদেৱীৰ দৰ্শন লাভ কৰিবলৈ সকলোৱে আশা কৰে একমাত্ৰ জীৱন ধন্য কৰিবলৈ।

# বিশ্বকৰ্মা পূজাৰ

পুৰুহিত অহিল, তেওঁ পুৰুহিতক হিন্দু ধৰ্মত চাফ-চিকুণতাৰ কোনোবা ভগবান আছে নেকি সুধিলে? তেতিয়া তেওঁ ক'লে তেনেকুৱাতো ভগবান নাই। তাৰ পিছত অলপ সময় চিন্তা কৰি বিশ্বকৰ্মাৰ কথা ক'লে। তেওঁৰ মুখেৰে বিশ্বকৰ্মাৰ কথা শুনি থমছন চাহাবে পুৰুহিতক বিশ্বকৰ্মা পূজাৰ ওপৰত এখন বিধি তৈয়াৰ কৰিবলৈ ক'লে আৰু সেই হিচাপেই পুৰুহিতে বিধি তৈয়াৰ কৰিলে তাৰপিছত ১৮৩৮ চনৰে ১৭ চেপ্টেম্বৰত প্ৰথম কলকাতাত তেওঁলোকে বিশ্বকৰ্মা পূজা আৰম্ভ কৰিলে। এই পূজা ভাগৰ বাবে সকলোৱে মিলি প্ৰেছটো চাফাওঁ কৰিলে। বিশ্বকৰ্মা পূজা সেইবাবে প্ৰেছ, কল-কাৰাখানা, উদ্যোগ আদিত পতা হয় আৰু পূজাৰ আগদিনা সকলোৱে মিলি চাফ -চিকুণ কৰে। ঘৰবিলাকতো সেইদিনা ঘৰৰ সকলো বস্তু চাফ-চিকুণ কৰি বিশ্বকৰ্মাক আৰাধনা কৰা হয়। গতিকে দেখিলা আমাৰ জীৱনত চাফ-চিকুণতাৰ কিমান প্ৰয়োজন আছে। পৰিস্কাৰ পৰিচ্ছন্ন হৈ থাকিবা তেতিয়াহে সুস্থ মনৰ গৰাকী হ'ব পাৰিবা। আজিলৈ ইমানতে এৰিলো বুলি ক্লাছটোৰ সামৰণি মাৰিলে।

# ভাৰতীয় মহিলা হাৰমিলান বেইন্সৰ ১৯ বছৰ পুৰণি অভিলেখ ভংগ



বাৰ্তাসেৱা- পঞ্জাৱৰ ২৩ বছৰীয়া হৰমিলন কৌৰ বেইন্স ১,৫০০ মিটাৰ দৌৰা দ্ৰুততম ভাৰতীয় মহিলা হৈ পৰিছে। তেওঁ ৱাৰাংগলত অনুষ্ঠিত ৬০ তম ৰাষ্ট্ৰীয় অপেন এথলেটিকছ চেম্পিয়নশ্বিপত ১,৫০০ মিটাৰ মহিলা প্ৰতিযোগিতাত বিজয়ী হ'বলৈ ৪:০৫:৩৯ ছেকেণ্ড সময় লৈছিল। ২০০২ চনত বুচানত অনুষ্ঠিত এছিয়ান গেমছত সুনীতা ৰাণীয়ে ৪:০৬.০৩ ছেকেণ্ডৰ পূৰ্বৰ অভিলেখ স্থাপন কৰিছিল।

# মমৰ পুতলা


চনত কলকাতাত মাডাৰ টেৰেছাৰ স্মৃতিত স্থাপিত মাডাৰছ ৱেক্স মিউজিয়াম টো দেশৰ ভিতৰতে বৃহৎ। তাত বিভিন্ন অভিনেতা, সাহিত্যিক, বিজ্ঞ ানী, শিল্পী, ৰাজনীতিবিদ, মুক্তি যুঁজাৰু আদিৰ মমৰ মূৰ্তি দেখিবলৈ পোৱা যায়। ৰিবুৱে দেখিছো দেখিছো বুলি চিঞৰি উঠিল। ৰিমাই আচৰিত হৈ ক'লে ক'ত দেখিলা? ৰিবুৱে মাকৰ মোবাইল ফোন টো আনি ফটোবোৰ দেখুৱাই ক'লে কেলে জেঠাই ঘৰৰ মিটুদায়ে তাত তোলা ফটো এইবোৰ নহয়। ৰিমাই ক'লে তোমাৰ কিন্তু বহুত কথা মনত আছে দেই। আৰু মহীশূৰৰ মেল'ডি ৱৰ্ল্ড ৱেক্স মিউজিয়াম ত দেশ-বিদেশৰ প্ৰায় ৩০০ বাদ্যযন্ত্ৰ সমন্বিত বাদ্যযন্ত্ৰীৰ মমৰ মূৰ্তি আছে। তাৰোপৰি উটি, কড়াইকানাল, মুচৌৰি, জয়পুৰ, বেংগালুৰু, লুনাভালা ত মমৰ যাদুঘৰ আছে। ৰিবুৱে ক'লে সঁচাকৈয়ে বা, মানুহে যে নোৱাৰা কাম একোৱেই নাই নহয়নে? হয়, আমি সেয়ে টান কাম বুলি এলাহ কেতিয়াও কৰিব নালাগে। ৰিবুৱে ক'লে মোৰ যে কোনো কাম লৈকে এলাহ নাই দেই। ৰিমাই হাঁহি দমাব নোৱাৰিলে হাঃ হাঃ।

# লুইতৰ চাপৰিত আকৌ কঁহুৱা ফুলিছে... শৰতৰ আনন্দবোৰ একেই আছেনে ?

মানসী মিশ্ৰ

সুদূৰৰ পৰা ভাহি অহা শেৱালিজোপাৰ সুন্দৰ সুগন্ধিয়ে কাণে কাণে কৈ গ'ল শৰৎ অহাৰ কথা। চোতালত ৰাতিপুৱা তলসৰা শেৱালি বুটলি বুটলি মৰমৰ নাতিহঁতক শৰৎ অহাৰ বাতৰি দিলে। বাৰীৰ পিছফালে থকাৰ বাবে টেঙাজোপাৰ সুগন্ধিয়ে মনৰ মাজত টোকৰ মাৰি গ'ল শৰৎ আহিল বুলি। গ্ৰীষ্ম-বৰ্ষাৰ উৎকট গৰমৰ পাছত দেহমনত শীতল পৰশ দিয়া মলয়াজাককেও যেন কাণে কাণে সংগোপনে দিলেহি শৰৎ অহাৰ বাতৰি। শুভ্ৰ আকাশত বগা ডাৱৰৰ মাজত ৰূপালী জোনবাইৰ মিচিকিয়া হাঁহিয়েও প্ৰতিজন প্ৰকৃতিপ্ৰেমী লোকক শৰৎ অহাৰ বাতৰি দিছে। ল'ৰালি কালত প্ৰত্যেকেই নিশ্চয় শৰৎ বৰ্ণনা পাঠটি পঢ়া মনত আছে। ঠিক তাত উল্লেখ থকাৰ দৰেই শৰৎৰ সৌন্দৰ্য্য দেখিলে ভাগৰুৱা পখিকো আপোন পাহৰা হয়। শৰৎৰ সৌন্দৰ্য্য অনবদ্য, অপৰিসীম। এই শৰৎকালছোৱাই আমাৰ প্ৰত্যেকৰে মনত এক ভাবাবেগৰ সৃষ্টি কৰে। পলকতে আমাক লৈ যায় শৈশৱৰ, কৈশোৰৰ, যৌৱনৰ স্বপ্নৰঙীন দিনবোৰলৈ, মৰমৰ ওপজা ঘৰখনলৈ। পূৱঠ ধানৰ সৈতে ধাননি পথাৰখনত ৰাতিপুৱা শৰতৰ ৰিবৰিব মলয়া বতাহজাক যিসকলে গাত লগাই পোৱা নাই, সেইসকলে হয়তো শৰতৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ আধৰুৱা হৈ থাকি গৈছে। আহিন, কাতিৰ মৃদু ৰ'দজাক গাত লৈ কলপাতত নিমখ জলকীয়া সানি ৰবাব টেঙা যিসকলে খাই পোৱা নাই, তেওঁলোকেও শৰতৰ মাদকতা কিছু পাবলৈ বাকী থাকি গ'ল। শৰতে আমাৰ জীৱনত নতুনত্ব প্ৰদান কৰে। দুৰ্বল জীৱনটোক আনকি নতুনকৈ জীয়াই থকাৰ আশা প্ৰদান কৰে। সেয়ে ঋতুৰাজ শৰৎ আহিলেই আমাৰ মনবোৰ উৰি যায় অতীতৰ দিনবোৰলৈ। হেৰুৱা দিনৰ সুবাস বিচাৰি বহুদূৰলৈ উৰা মাৰে আমাৰ মন। ধাননি পথাৰত হালিজালি নাচি থকা ধাননি ডৰাৰ মাজত মলয়া বতাহজাকৰ তালে তালে নাচি থকা সেই দিনবোৰলৈ। শৰতৰ নিৰ্মল বতাহ আৰু শুভ্ৰ আকাশৰ তলত সহজ সৰল জীৱন যাপন কৰা সেই দিনবোৰৰ স্মৃতিয়ে আমাৰ মনবোৰ এতিয়াও ৰঙীন কৰি তোলে। প্ৰত্যেকজন মানুহেই বাৰু কিমান বেছিকৈ ভাল পায় ওপজা ঠাইখন,

(আঠপৃষ্ঠাত চাওক)


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
বয়োজ্যেষ্ঠৰ প্ৰতি সন্মান, সেৱা আৰু শুশ্ৰূষা আমাৰেই দায়িত্ব
জ্যেষ্ঠ নাগৰিকসকলৰ সুবিধাৰ্থে উপলব্ধ হ'ল
ৰাষ্ট্ৰীয় হেল্পলাইন সেৱা
১৪৫৬৭
(ট'ল ফ্ৰী নম্বৰ)
JANASANYOG- 1672/21
বৃদ্ধাশ্ৰম, সেৱা কেন্দ্ৰ আদি সন্দৰ্ভত তথ্য প্ৰদান
নিৰ্যাতিতসকলৰ বাবে সহায়ৰ হাত
আইনী উপদেশ আৰু পেঞ্চন সন্দৰ্ভত পৰামৰ্শ প্ৰদান
মানসিক সমৰ্থন
পঞ্জীয়ন কৰক : assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২আহিন, ১৪২৭ চন Rongili Barta, Date of Publication-- SEPTEMBER, 2021

# লুইতৰ চাপৰিত আকৌ কঁহুৱা ফুলিছে...


মানসী মিশ্ৰ

ওপজা গাঁওখন। প্ৰকৃতিৰ অপৰূপ সমাহাৰৰ মাজত পাব কৰা শৈশৱ, কৈশোৰৰ সেই দিনবোৰে আজিৰ দিনতো শৰৎ অহাৰ সময়ত প্ৰতিজন ব্যক্তিক মানসিক খাদ্যৰ যোগান ধৰিব পাৰে। সেইবাবেইতো কোৱা হয় শৰতে মানুহৰ জীয়াই থকা প্ৰত্যাশা কঢ়িয়াই আনে আনকি ভগ্নপ্ৰায় মানৰ জীৱন একোটাতো জীৱনটোক নতুনকৈ গঢ় দিয়াৰ বাবে সঞ্জীৱনী সুধা প্ৰদান কৰে। এয়াই শৰৎৰ ৰূপৰস, অপাৰ মহিমা। কবি সাহিত্যিককে আদি কৰি প্ৰত্যেকেই অকপটে স্বীকাৰ কৰে শৰৎৰ গুণ গৰিমাক। মনৰ মাজত অকৃত্ৰিম ভাবৰ অনুৰাগে প্ৰকৃতিপ্ৰেমী তথা সৃষ্টিশীল লোকৰ মাজত সৃষ্টিৰ লহৰ তোলে। সেইবাবে বহু কবি সাহিত্যিক, গীতিকাৰ আদিয়ে অনবৈদ্য তথা অনুপম সৃষ্টি কৰে সময়ছোৱাত। ১০ বছৰীয়া শিশু কি, ২৫ বছৰীয়া যুৱক কি, ৬০ বছৰীয়া বৃদ্ধ কি, শৰতে সকলোৰে মনলৈ আনে গভীৰ প্ৰশান্তি। বৰ্ষাৰ মেঘে ঢকা আকাশৰ ওন্দোলিত অৱস্থা আঁতৰাই আমাৰ দুচকুত এখনি মুকলি আকাশ চোৱাৰ বাবে সকলোৰে প্ৰত্যাশা। উখল মাখল পথাৰত সেউজীয়াৰ ধল...। চৌদিশে আয়োজিত হ'বলৈ ওলাইছে, বাৰিষাৰ প্লাৱনে চৌদিশ ধুই নিয়াৰ পিছত প্ৰকৃতিয়ে সেউজীয়া দলিছা পাৰি দিছে। পুৱাৰ কোমল মিঠা ৰ'দজাকে আনি দিয়া শুভ্ৰতা। পদুলিত তলসৰা শেৱালিৰ মুকুতামালা আৰু তাৰ স্নিগ্ধ সুবাস, নিয়ৰৰ কণিকাৰে জীপাল থকা দুবৰি এই সকলোবোৰে আনি দিয়ে শৰতৰ স্নিগ্ধতা আৰু মাধুৰ্য্যতা। শৰতৰ আগমন মানেই মানুহৰ মাজলৈ উছৱৰ আগমন, শৰৎ আহিলেই আমি সকলোৰে উন্মনা হওঁ। শাৰদীয় দুৰ্গোৎসৱৰ পৰা আৰম্ভ কৰি পথাৰত বন্তি জ্বলাই লখিমীক কৃষকে আদৰি আনিবলৈ আয়োজন কৰা কাতি বিহুলৈকে, ৰাধা কৃষ্ণৰ জীৱনৰ বিভিন্ন ৰংবোৰ উদ্ভাষিত কৰি আয়োজন কৰা ৰাস মহোৎসৱলৈকে লানি নিছিগা পয়োভৰ উছৱৰ আৰু ইয়াৰ লগতে সাঙুৰ খাই আছে জীৱনৰ ৰং আৰু জীৱনৰ গতি।

বৰ্ষাৰ বৰষুণত ফেনে ফোটোকাৰে ওফন্দি উঠা লুইতৰ বুকু শান্ত সমাহিত হৈ উঠে শৰতৰ লগে লগে। লুইতৰ প্ৰতিটো চাপৰি আৰু তাৰ লগতে লগা মাজুলী, শদিয়া, ধুবুৰী, গৌৰীপুৰ, কাজিৰঙা অৰ্থাৎ লুইতৰ দাঁতিতে লাগি থকা অঞ্চলবোৰত হালিজালি ফুলি থকা কহুঁৱাৰ নাচোনে প্ৰতিজন লোককে উন্মনা কৰিছে। কহুঁৱা ফুলৰ কোমল পাহিবোৰে মৃদু মলয়াৰ তালে তালে নৃত্য কৰে আৰু এনে স্বৰ্গীয় দৃশ্য দেখি লুইতৰ বুকুৰেদি নাও বাই বাই পাৰ হৈ যোৱা মিচিং ডেকাই নিজৰ প্ৰিয়জনলৈ মনত পেলাই গোৱা ঐনিতমৰ কৰুণ সুৰে বহুতৰ মনত আবেগৰ, বিষাদৰ ঢৌ খেলি যায় যদিও তাৰ মাজতো লুকাই থাকে অন্যতম মধুৰতা। এনেদৰেই শৰৎ আহে। প্ৰকৃতিৰ অমোঘ নিয়ম সৰোগত কৰি প্ৰতিটো বছৰতেই ঋতুৰাজ শৰৎ আমাৰ মাজলৈ আহে। বিশ্ববিখ্যাত সৰ্ববৃহৎ নদীদ্বিপ মাজুলী সত্ৰনগৰী হিচাপেও প্ৰখ্যাত। এই সত্ৰনগৰীতে শৰৎ অহাৰ লগে লগে ৰাস মহোৎসৱ অহাৰ লগে লগে গোপ-গোপিনী সকলৰ আখৰাৰ পূৰ্ণ প্ৰস্তুতি চলে। অসমৰ প্ৰতিটো চুক-কোণৰ পৰা বিভিন্ন লোকে এই উছৱৰ সময়ত মাজুলীত সমবেত হোৱাৰ লগে লগে বহু বিদেশী পৰ্যটকেও এই ৰাস মহোৎসৱত ভাগ ল'বলৈ আহে। উদাৰ আৰু সৰলমনা মাজুলীয়ে দেশী-বিদেশী সকলো অতিথিকে অতি আন্তৰিকতাৰে আপ্যায়ন কৰে। সকলোতকৈ ডাঙৰ কথাটোৱেই হৈছে যে প্ৰতি বছৰেই শৰৎ আহিব এনেদৰে। শৰতৰ শুভ্ৰ আৰু নিৰ্মল আকাশৰ তলত লুইতৰ প্ৰতিটো চাপৰিত কহুৱাবোৰে মলয়াৰ তালে তালে নাচোন ধৰিব। এইয়া প্ৰকৃতিৰ নিয়ম। কিন্তু বৰ্তমানৰ সময় আৰু পৰিস্থিতিত শদিয়াৰ, ধুবুৰীৰ, গৌৰীপুৰ, মাজুলীবাসী আৰু লুইতৰ পাৰৰ প্ৰতিজন ব্যক্তিৰ মনত ন ন চিন্তাৰ উদ্ৰেক হৈছে যে যি ভয়াবহ হাৰত লুইতৰ বুকুত খহনীয়াৰ তাণ্ডৱ চলিছে তাৰ প্ৰতিদিনে ন-ন গাঁও, কৃষিভূমি লুইতৰ বুকুত জাঁহ গৈছে। লুইতৰ পাৰত কহুঁৱাৰ নাচোন চাবলৈ সেই ৰাইজ তাত থাকিব পৰা নাই। তেওঁলোকে গৃহহাৰা হৈ এক দুৰ্বিসহ জীৱন যাপন কৰিবলগীয়া হৈছে। গতিকে প্ৰতিজন সচেতন ৰাইজে ! ব্যক্তিয়ে এই সময়ত চিন্তা কৰি চোৱাৰ সময় আহি পৰিছে যে আমাৰ ৰাজ্য চৰকাৰে এই বাৰিষাকালত ফেনেফোটোকাৰে ওফন্দি অহা তাণ্ডৱ নৃত্য দেখুওৱা লুইতখনক নিয়ন্ত্ৰন কৰাৰ বাবে যদি কোনো পৰিকল্পনা বা পদক্ষেপ গ্ৰহণ নকৰে তেন্তে বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ ভিতৰত অন্তৰ্ভুক্ত সৰ্ববৃহৎ নদীদ্বীপ মাজুলী চিৰদিনৰ বাবে লুইতৰ বুকুত জাহ যাব নেকি সেই লৈ অলেখ চিন্তাই মানুহৰ মনত জুমুৰি দি ধৰিছে। চীনৰ প্ৰৱল খৰস্ৰোতা হোৱাংহো নৈ খনক চীনা চৰকাৰে সুপৰিকল্পিতভাৱে ৰোধ কৰিবলৈ সক্ষম হৈছে। অতীতকালৰ ৰ পৰা আমাৰ লুইতখনক চৰকাৰে সুদক্ষ কাৰ্য্যপন্থা আৰু সুপৰিকল্পিত চিন্তাধাৰাৰে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম নহ'বনে বাৰু ? নিশ্চয় পাৰিব। এইখন লুইতক লৈয়েই কবি, গীতিকাৰ, শিল্পী, সাহিত্যিকৰ কলমত কত যে সৃষ্টি হৈছে। কিন্তু বাৰিষা এই লুইতৰ সৌন্দৰ্য্যক লৈয়েই কবি, গীতিকাৰ, শিল্পী, সাহিত্যিকৰ কত যে অনুপম সৃষ্টি হৈছে। কিন্তু বাৰিষাকালত এই লুইতৰ ধ্বংসলীলাত সৰ্বস্ৰান্ত হোৱা ৰাইজৰ হৃদয়ৰ বিননি শুনিলে সচাঁকায়ে চকুপানী ওলায়। এইসকল ৰাইজে জানে যে শৰৎ আকৌ আহিব। কিন্তু লুইতৰ প্ৰান্তত থিয় হৈ শৰতত জকমকাই তোলা কহুঁৱা ফুলৰ নাচোন চাই এই লোকসকলে বৰ্তমান থিয় দি থকা ভৰিৰ তলৰ মহামূল্যৱান মাটি টুকুৰাও হঠাতে লুইতৰ বুকুত জাঁহ যাব নেকি, সকলো সময়তে তেনে এক ভীতি শংকাই মনৰ মাজত দোলা দি থাকে। শদিয়াৰ লুইতৰ চাপৰি, ধুবুৰী, গৌৰীপুৰৰ লুইতৰ চাপৰি সকলোতে শৰৎ আহিব। কিন্তু লুইতৰ পাৰৰ কহুঁৱাৰ নাচোন ৰাইজে কিমান দিনলৈ উপভোগ কৰিব, তাত ৰাইজৰ গভীৰ শংকা। কাজিৰঙাত আকৌ চোৰাংচিকাৰীৰ গঁড় হত্যাৰ যি তাণ্ডৱ চলিছে সেয়া দেখি ৰাইজে পাহৰিবলৈ বাধ্য হৈছে লুইতৰ চাপৰিত কহুঁৱা ফুলৰ সৌন্দৰ্য্য। সেইবাবে আমাৰ চৰকাৰ তথা ৰাজ্যপ্ৰশাসনে যদি লুইতৰ এই ভয়াবহ গৰাখহনীয়াক ৰোধ কৰিবলৈ কোনো পদক্ষেপ আৰু পৰিকল্পনা হাতত নলয় তেন্তে শৰত কহুঁৱা ফলৰ নাচোন চাবলৈ বহু গাঁৱভুইৰ মাটি হেৰাই যাব লুইতৰ বুকুত।

# মোৰ মা


**শ্ৰী ৰূপৰেখা ঠাকুৰ**
**দেৰগাঁও**



অ মোৰ মৰমৰ মা
তুমিয়েই মোৰ জীৱন
তুমিয়েই মোৰ প্ৰাণ।
তোমাৰ কোলাতে আই লভিলো জনম ।
জীৱনৰ আদি পুৱাত ।
তুমিয়েই মোক শিকালা সকলো মাত,
তুমিয়েই দিলা জীৱনৰ ভাষাজ্ঞান।
তোমাৰ কোলাতে আই শিকিলোঁ জীৱনৰ প্ৰথম শিক্ষা।
তুমিয়েই হলা জীৱনৰ প্ৰথম শিক্ষা গুৰু ।
বিপদৰ সময়তো দিলা এযাৰি মৰমৰ মাত।
তোমাৰ সজ উপদেশেৰে আগবাঢ়ি আহিছোঁ জীৱনৰ আধা বাট।
তুমিয়েই দিয়া মোক সাহস মৰম জীৱনৰ যাবলৈ বাকী থকা বাট।
অ মোৰ মৰমৰ মা।

# আবেলিৰ ৰঙ

**ৰাজলক্ষ্মী বৰঠাকুৰ**
**দেৰৰাজ ৰয় মহাবিদ্যালয়**
**গোলাঘাট**



বেলি লহিয়াৰ পৰত,
নাৱৰীয়াই নাওঁ মেলি দিছিল
বৰ -লুইতৰ বুকুত,
নাওঁখনে যাত্ৰা পথত গতি লওঁতে
বুঢ়া লুইতৰ যেন খং উঠিছিল
নাৱৰীয়াৰ হাতৰ মুঠি ঢিলা হৈ পৰিছিল,
ভয়ত আতুৰ মানুহৰ চিঞৰত
লুইতৰ বুকু কঁপি উঠিছিল
হাঁহি বোৰ কান্দোনত পৰিণত হৈছিল
হেৰাই গৈছিল জীৱনৰ ৰঙ
আবেলিৰ ৰদ জাকে
লুইতৰ পানীত মৃত্যুৰ ৰহণ সানিছিল।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286